জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪৫/২০২০

**<u>ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ প্ৰথম পৰ্যায়ৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে</u>**

# কৃষিপাম আৰু পশুপালন খণ্ডৰ প্ৰতি যুৱ চামক অধিক আকৰ্ষিত কৰাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১০ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি খানাপাৰাৰ পশুপালন আৰু পশুচিকিৎসা বিভাগৰ বিষয়াৰ প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুষ্ঠিত এক অনুষ্ঠানত ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অধীনত পশুধনৰ চবকা আৰু ব্ৰুছেল'চিছ ৰোগৰ প্ৰথম পৰ্যায়ৰ প্ৰতিষেধক প্ৰদান অভিযানৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ বৰ্ষৰ ছেপ্তেম্বৰ মাহত শুভ উদ্বোধন কৰিছিল। এই আঁচনিৰ জৰিয়তে গৰু, ম'হ, ভেৰা, ছাগলী আৰু গাহৰিৰ লেখীয়া পশুধনসমূহক চবকা আৰু ব্ৰুছেল'চিছ নামৰ দুবিধ মাৰাত্মক ৰোগৰ প্ৰতিষেধক প্ৰদানেৰে ২০২৫ চনৰ ভিতৰত এই দুবিধ ৰোগ নিয়ন্ত্ৰণ তথা ২০৩০ চনৰ ভিতৰত এইৰোগ সম্পূৰ্ণৰূপে নিৰ্মূল কৰাৰ লক্ষ্য লোৱা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে ৫০০ মিলিয়ন পশুধনক চবকাৰ প্ৰতিষেধক আৰু ৩৬ মিলিয়ন পশুধনক ব্ৰুছেল'চিছ ৰোগৰ প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ৰাজ্যখনৰ পশুপালকসকলক উৎসাহিত কৰাৰ দিশত পশুপালন আৰু পশুচিকিৎসা বিভাগৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে যাতে পশুপালকসকলে এই খণ্ডই বহন কৰা সম্ভাৱনীয়তাখিনিৰ পূৰ্ণ প্ৰয়োগেৰে ৰাজ্যৰ গ্ৰামাঞ্চলৰ অৰ্থনীতি টনকিয়াল কৰাৰ দিশত বিশেষ ভূমিকা পালন কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে পশু চিকিৎসক তথা বিভাগৰ অন্যান্য বিষয়ববীয়াসকলক তেওঁলোকৰ চাকৰিক কেৱল সাধাৰণ চৰকাৰী চাকৰি হিচাপে গণ্য নকৰি পশুপালকসকলক নিয়মীয়াকৈ সাক্ষাৎ কৰি তেওঁলোকৰ প্ৰত্যাহ্বান তথা সমস্যাসমূহ নিৰায়মৰ দিশত হাতে-কামে অৱতীৰ্ণ হোৱাৰ বাবে আহ্বান জনায়।

ভিয়েটনামৰ লেখীয়া সৰু দেশ এখনে কৃষিজাত সামগ্ৰী আৰু পশুধনৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজনেৰে কেইবা মিলিয়ন ডলাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনক পশুধন তথা হাঁহ-কুকুৰা ইত্যাদিৰ লেখীয়া সামগ্ৰীৰ দিশত আত্মনিৰ্ভৰশীল হোৱাৰ বাবে পশুপালন বিভাগৰ বিষয়াসকলক ঐকান্তিকতা তথা নিষ্ঠা সহকাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে পশুধনৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ যাতে দেশৰ অন্যান্য ৰাজ্য তথা অন্যান্য ৰাষ্ট্ৰলৈ ৰপ্তানি কৰিব পৰা যায় সেই দিশত পশুপালকসকলক উপযুক্তভাৱে সহায়ৰ হাত আগবঢ়োৱাৰ বাবেও আহ্বান জনায়।

ৰাজ্যখনৰ কৃষকৰ উৎপাদিত সামগ্ৰী বৰ্তমান ডুবাই, আবুধাবী, ছিংগাপুৰ, হংকং ইত্যাদিৰ লেখীয়া বজাৰলৈ ৰপ্তানি হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ যুৱ চামক কৃষি তথা ইয়াৰ আনুষংগিক খণ্ডক

এক মৰ্যাদা সম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ দিশত অনুপ্ৰাণিত কৰাৰ বাবেও আহ্বান জনায়। উৎপাদন বৃদ্ধিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনৰ ভিতৰত দেশৰ কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে লোৱা লক্ষ্য পূৰণৰ দিশত সহায়ক হোৱাকৈ ৰাজ্য চৰকাৰেও কৃষি তথা ইয়াৰ আনুষংগিক খণ্ডত লোৱা সৰল পদক্ষেপসমূহৰ বিষয়েও ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। এই দিশত মুখ্যমন্ত্ৰীয়ে কৃষি যান্ত্ৰিকীকৰণৰ সহায়ক হোৱাকৈ ৰাজ্যখনৰ ২৬ হাজাৰখন গাঁৱলৈ মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে ট্ৰেক্টৰ বিতৰণৰ বাবে চৰকাৰে লোৱা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। বৰ্তমানৰ এই প্ৰতিযোগিতামুখী বিশ্ব প্ৰেক্ষাপটত জ্ঞান আৰু প্ৰযুক্তিৰ সমাহাৰ নিতান্তই প্ৰয়োজন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে পশুপালন বিভাগক এই দিশত উৎকৰ্ষ সাধনৰ পদক্ষেপ ল'বলৈও আহ্বান জনায় যাতে যুৱ চামে কৃষিপাম তথা পশুপামত শেহতীয়া উদ্ভাৱনী তথা প্ৰযুক্তিগত বিষয়সমূহ সন্নিৱিষ্টকৰণেৰে বিশেষভাৱে আকৰ্ষিত হ'ব পাৰে। পশুধনৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ ৰপ্তানিৰ দিশত ৰাজ্যখনে বিশেষ সম্ভাৱনীয়তাবহন কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বজাৰত ইয়াৰ চাহিদা তথা যোগানৰ এক ফলপ্ৰসূ জৰীপ কাৰ্য চলোৱাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি কৃষি, পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই বিভাগটোক কঠোৰ পৰিশ্ৰম আৰু দায়ৱদ্ধতাৰে এক গতিশীল বিভাগ হিচাপে পৰিগণিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি এই লক্ষ্য পূৰণৰ দিশত বিভাগৰ বিষয়াসকলক সম্পূৰ্ণ দায়ৱদ্ধতাৰে কৰ্মত ব্ৰতী হোৱাৰ বাবে আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়া, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত সচিব এছ জগন্নাথনেও বক্তব্য প্ৰদান কৰে।

**স্বাক্ষৰঃ /বঃভাঃ**
**১০/১১/২০২০**